অসম

ডিগবৈৰ ২নং বৰবিলত দুদিনীয়া কার্যসূচীৰে তৃতীয় বার্ষিক শ্রীশ্রী কৃষ্ণৰ মহাৰাসলীলা মহোৎসৱৰ আয়োজন

প্রকাশ: ২৩ নৱেম্বৰ ২০২৬, আবেলি ৫:১২



(Bijoy Sutradhar)

ডিগবৈ, ২৩ নৱেম্বৰ: মহাপুৰুষ শ্রীমন্ত শংকৰদেৱৰ অমৰ সৃষ্টিৰ অন্যতম হৈছে শৰৎকালীন ৰাস মহোৎসৱ। ভগৱান শ্রীকৃষ্ণৰ লীলা আৰু মহিমা শ্রৱণ-কীর্তনৰ মাজেৰে ভক্তিৰসত বিলীন হোৱাৰ এক অনন্য পৰম্পৰা হিচাপে ৰাস উৎসৱে অসমীয়া সমাজ-সংস্কৃতিত বিশেষ স্থান অধিকাৰ কৰি আহিছে।

মহাপুৰুষ শ্রীমন্ত শংকৰদেৱে ধর্মৰ জৰিয়তে ভাষা, সাহিত্য আৰু সংস্কৃতিৰ এক শক্তিশালী ভেটি নির্মাণ কৰি থৈ গৈছে। গুৰুজনাৰ আদর্শৰাজিৰ চর্চা আৰু বিকাশৰ লক্ষ্যৰে ডিগবৈৰ ২নং বৰবিল সমন্বয় শিল্পী গোষ্ঠীৰ উদ্যোগত আৰু বৰবিলবাসী ৰাইজৰ সহযোগত তৃতীয় বার্ষিক শ্রীশ্রী কৃষ্ণৰ মহাৰাসলীলা মহোৎসৱৰ আয়োজন কৰা হৈছে।

অহা ১ আৰু ২ ডিচেম্বৰত দুদিনীয়া কার্যসূচীৰে ২নং বৰবিল সার্বজনীন নামঘৰ প্রেক্ষাগৃহত অনুষ্ঠিত হ’ব এই ৰাসলীলা মহোৎসৱ। মহোৎসৱটি সফলভাৱে অনুষ্ঠিত কৰাৰ বাবে উদযাপন সমিতিয়ে ব্যাপক প্রস্তুতি চলাইছে।

স্থানীয় সাংস্কৃতিকপ্রেমী আৰু ধর্মপ্রাণ ৰাইজৰ সহযোগত এই ৰাসোৎসৱে অঞ্চলটোত এক বিশেষ সাংস্কৃতিক পৰিৱেশৰ সৃষ্টি কৰি আহিছে।

আয়োজক সমিতিয়ে জনোৱা অনুসৰি, ১ ডিচেম্বৰৰ সন্ধিয়া অজিত সোণোৱালে বন্তি প্রজ্বলনেৰে ৰাসোৎসৱৰ

শুভাৰম্ভ কৰিব। সন্ধিয়া ৬ বজাত গায়ন-বায়ন পৰিৱেশনৰ পিছতে ৰাসলীলা অনুষ্ঠিত হ’ব।

দুদিনীয়া এই মহোৎসৱত অঞ্চলটোৰ ৰাইজৰ উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে উদযাপন সমিতিয়ে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/5625/digoboir-2nng-borobilot-dudiniya-karyosusire-tritiy-barsik-srisri-krisnor-mohara